**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো চহৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ প্ৰচেষ্টা ব্যৰ্থ কৰে। পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত কালি কেইবাবাৰো যুদ্ধ বিৰতি উলংঘা কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ত প্ৰকাশ কৰা মতে পাকিস্তানে জম্মু, পাঠানকোট আৰু উধমপুৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি লোৱাৰো চেষ্টা চলায়। জম্মু আৰু কাশ্মীৰৰ পুঞ্চ, ৰাজৌৰি, ভিমবাৰ আদি খণ্ডতো পাকিস্তানী সেনাই গুৰু কামান ব্যৱহাৰ কৰি আন্তঃৰাষ্ট্ৰীয় সীমাৰ সিপাৰৰ পৰা ভাৰতলৈ লক্ষ্য কৰি গোলাবৰ্ষণ কৰে। ভাৰতীয় বাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে।

ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালীয়ে এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰে। পাকিস্তানী আক্ৰমণত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

সেনা বাহিনীয়ে কৈছে যে দেশৰ সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতা ৰক্ষা কৰিবলৈ ই বদ্ধপৰিকৰ। সকলো কু-অভিসন্ধিৰ সমুচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সেনা বাহিনীয়ে সজোৰে প্ৰকাশ কৰে।

বৰ্ধিত উত্তেজনাৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সীমান্ত সুৰক্ষা বাহিনী বি এছ এফৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে আৰু সীমান্তৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ লগতে বিমান বন্দৰৰ সুৰক্ষা সন্দৰ্ভত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে।

০০০০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত বিহু অনুষ্ঠানসমূহ কাইলৈৰ পৰা বাতিল কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

পাকিস্তান চৰকাৰে দেশখনৰ প্ৰচুৰ ক্ষতি হোৱাৰ পাছত আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক অধিক ঋণৰ বাবে আহ্বান জনাইছে। দেশখনৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে যুদ্ধৰ উত্তেজনা বৃদ্ধি পোৱাৰ মাজতে শ্বেয়াৰ বজাৰ নিম্নগামী হোৱাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানে ইয়াৰ আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক সহায়ৰ বাবে আহ্বান জনাইছে।

০০০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত

অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বায়ুসেনা বাহিনীৰ বিষয়া আৰু জ্যেষ্ঠ নাগৰিকসকলে এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলাসমূহত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। **কামৰূপ** জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনাৰ বাবে তিনি ঠাইত ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। আমিনগাঁও আয়ুক্তৰ কাৰ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ৰঙিয়া সম জিলা কাৰ্যালয়ত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইতিমধ্যে ভোটগণনাৰ বাবে নিৰীক্ষক, ভোটগণনা সহায়ক, সূক্ষ্ম পৰ্যবেক্ষকসকলকে ধৰি ভোটগণনা কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**ডিব্ৰুগড়** জিলাতো ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে এই প্ৰক্ৰিয়াত নিয়োজিত সূক্ষ্ম নিৰীক্ষক, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলক প্ৰশিক্ষণ দিয়া হৈছে।

**শোণিতপুৰ** জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। সেই অনুসৰি ভোটগণনাৰ দিনা তেজপুৰত সুৰক্ষা ব্যৱস্থাকে ধৰি সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি শোণিতপুৰ জিলা দণ্ডাধীশে এলানি নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত খেলখন সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে বাতিল কৰা হয়। পাকিস্তানৰ সম্ভাব্য আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ফ্লাড লাইট নুমুওৱাৰ সময়ত পাঞ্জাব কিংছে ১০ অ'ভাৰ আৰু এটা বলত এটা উইকেটৰ বিনিময়ত ১২২ ৰান কৰি খেলি আছিল।

ইপিনে, পাঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত ধৰমশালাত হ'বলগীয়া খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামলৈ স্থানান্তৰিত কৰা হৈছে। সাম্প্ৰতিক প্ৰত্যাহ্বানৰ বাবে খেলখনৰ স্থান সলনি কৰা হৈছে। দেওবাৰে পূৰ্বৰ সূচী অনুসৰি বিয়লি চাৰে ৩ বজাত খেলখন খেলোৱা হ'ব।

০০০০০

সমাপ্ত